**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-AUGUST-2026
**Time :** 11.00 AM

# ASSAMESE 11 AM BULLETIN

—————————————————

দেশত অনুপ্ৰৱেশ ৰোধৰ লগতে অবৈধ প্ৰব্ৰজনকাৰীক চিনাক্ত কৰি ততালিকে বিতাড়নৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ৰাজ্যসমূহৰ আৰক্ষী সঞ্চালক প্ৰধান আৰু দেশৰ নিৰাপত্তা সংস্থাসমূহক নিৰ্দেশ দিছে। নতুন দিল্লীত দুদিনীয়াকৈ অনুষ্ঠিত নৱম ৰাষ্ট্ৰীয় কৌশল সন্মিলন ২০২৬ৰ সামৰণি অনুষ্ঠানত দিয়া ভাষণত গৃহমন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ নিৰাপত্তাজনিত প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত তথ্য বিশ্লেষণৰ পৰামৰ্শ দিয়ে। তদুপৰি ৰাষ্ট্ৰীয় নিৰাপত্তাজনিত প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ বাবে মান সম্পন্ন কাৰ্যপন্থা যুগুত কৰাতো তেওঁ গুৰুত্ব আৰোপ কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত অসমত ৫ হাজাৰ কোটি টকাৰো অধিক ধন বিনিয়োগেৰে ৩ লাখ ৮০ হাজাৰ বাসগৃহ নিৰ্মাণ কৰা হ'ব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি কৃষি আৰু কৃষক কল্যাণ তথা গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানক নতুন দিল্লীত কৰা সাক্ষাৎকালত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই ধনৰাশিৰ লগতে কৃষিখণ্ডৰ বাবে অতিৰিক্ত ১৩৯ কোটি টকাৰ অনুমোদন পত্ৰ প্ৰদান কৰে। ইয়াৰ অধীনত বানত ক্ষতিগ্ৰস্ত বাসগৃহসমূহ অগ্ৰাধিকাৰৰ ভিত্তিত পুনৰ নিৰ্মাণ কৰা হ'ব। এই বৈঠকৰ পাছত কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীচৌহানে সাংবাদিকৰ আগত এইদৰে কয় –

**ৰাইট (চৌহান)**

কেন্দ্ৰীয় চৰকাৰে ৰাজ্যৰ চাহ বাগিচাত গৃহ নিৰ্মাণৰ বাবেও সাহায্য প্ৰদান কৰিব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ এই গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীচৌহানক কৃতজ্ঞতা জ্ঞাপন কৰে।

মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰক বানত ক্ষতিগ্ৰস্ত ৰাজ্যখনৰ ৰাষ্ট্ৰীয় ঘাইপথ পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিবলৈ আহ্বান জনাইছে। কালি নতুন দিল্লীত কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীৰ সৈতে হোৱা সাক্ষাতৰ সময়ত মুখ্যমন্ত্ৰীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ ৰাজ্যখনৰ ক্ষতিগ্ৰস্ত পথসমূহ শীঘ্ৰেই মেৰামতি আৰু পুনৰ নিৰ্মাণ কৰাৰ লগতে ভৱিষ্যতে ক্ষতি কম হোৱাকৈ পথ, কালভাৰ্ট আৰু দলঙৰ নক্সা তথা নিৰ্মাণ পদ্ধতি অধিক বিজ্ঞানসন্মত কৰি তুলিবলৈ অনুৰোধ জনায়।

০০০০০০

কামৰূপ জিলাৰ বকোত নিৰ্মাণ হ'বলগীয়া দেশৰ প্ৰথমখন প্ৰতিবন্ধী বিশেষ বিশ্ববিদ্যালয়ৰ বাবে প্ৰাৰম্ভিক কাম আৰম্ভ হৈছে। ইতিমধ্যে বিশ্ববিদ্যালয়খনৰ বাবে ভূমি হস্তান্তৰ প্ৰক্ৰিয়াও আৰম্ভ হৈছে। উল্লেখযোগ্য যে ২০১৮ চনত প্ৰতিবন্ধী সুৰক্ষা সংস্থাই অসমত এই বিশ্ববিদ্যালয় নিৰ্মাণৰ বাবে দাবী জনাইছিল। ইয়াৰ পাছত কেন্দ্ৰীয় চৰকাৰে বিশ্ববিদ্যালয়খন নিৰ্মাণ সন্দৰ্ভত প্ৰয়োজনীয় তথ্যসহ প্ৰতিবেদন দাখিল কৰিবলৈ

অসম চৰকাৰক নিৰ্দেশ দিয়ে। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশমৰ্মে ৰাজ্য চৰকাৰে বকোত ৫০০ বিঘা ভূমিত বিশ্ববিদ্যালয়খন নিৰ্মাণৰ বাবে প্ৰদান কৰে। লোকনিৰ্মাণ বিভাগে প্ৰাথমিক কাম-কাজ আৰম্ভ কৰা বিশ্ববিদ্যালয়খনৰ নিৰ্মাণকাৰ্য শীঘ্ৰেই আৰম্ভ হ'ব। ৰাজ্য চৰকাৰৰ এই পদক্ষেপক প্ৰতিবন্ধী সুৰক্ষা সংস্থাই আদৰণি জনাইছে।

oooooo

প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য প্ৰসংস্কৰণ উদ্যোগ আঁচনিৰ অধীনত অসমে শ্ৰেষ্ঠ ৰাজ্যিক বঁটা লাভ কৰিছে। নতুন দিল্লীত কালি আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী চিৰাগ পাছোৱানৰ পৰা অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ সঞ্চালক কুন্তল মণি শৰ্মা বৰদলৈয়ে এই বঁটা গ্ৰহণ কৰে। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰৰ খাদ্য প্ৰ-সংস্কৰণ উদ্যোগ মন্ত্ৰালয়ৰ অধীনত প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য প্ৰ-সংস্কৰণ উদ্যোগ আঁচনি ৰূপায়ণত শীৰ্ষ প্ৰদৰ্শনকাৰী জিলা হিচাপে সফলতা অৰ্জন কৰিছে। ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে ২৯৬ টা ঋণৰ লক্ষ্য লৈ জিলাখনে ৪০৪ টা ঋণৰ অনুমোদন প্ৰদানেৰে ১৩৬ শতাংশ সফলতা লাভ কৰিছে বুলি চৰকাৰী সূত্ৰত প্ৰকাশ পাইছে।

oooooo

ৰাজ্য চৰকাৰে গুজৰাটৰ নগৰ পৰিকল্পনাৰ উদ্ভাৱনী দিশসমূহৰ অধ্যয়নৰ দ্বাৰা ৰাজ্যৰ ক্ৰমাৎ সম্প্ৰসাৰিত নগৰসমূহ উন্নয়নৰ বাবে পৰিকল্পনা লৈছে। গুজৰাট ভ্ৰমণকালত গ্ৰাহক পৰিক্ৰমা, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী কৌশিক ৰায়ে কালি ৰাজ্যখনৰ নগৰ উন্নয়ন বিভাগৰ সৈতে আলোচনাৰ পাছত এই বিষয়ে প্ৰকাশ কৰে। এই বৈঠকত পৰিকল্পিত নগৰ উন্নয়ন, নগৰ আন্তঃগাঁথনি, পৌৰ সেৱা আৰু নগৰ প্ৰশাসনৰ ক্ষেত্ৰত গুজৰাটৰ উদ্ভাৱনীমূলক পদ্ধতি সন্দৰ্ভত আলোচনা কৰা হয়। দ্ৰুতগতিত সম্প্ৰসাৰিত হৈ অহা নগৰ এলেকাৰ প্ৰেক্ষাপটত এই ব্যৱস্থাসমূহ অসমৰ ক্ষেত্ৰত প্ৰয়োগ আৰু অভিযোজনৰ সম্ভাৱনা লৈও বৈঠকত আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে কালি গুজৰাটৰ কেইবাটাও বিভাগৰ প্ৰতিনিধিৰ সৈতে উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। তেওঁ আহমেদাবাদত নগৰ উন্নয়ন, পৌৰ প্ৰশাসন, চেনিৰ মূল্য নিয়ন্ত্ৰণ আৰু সমবায় চেনি উদ্যোগ সন্দৰ্ভত সংশ্লিষ্ট বিভাগসমূহৰ মন্ত্ৰীসকলৰ সৈতে কেইবাখনো বৈঠকত অংশগ্ৰহণ কৰে।

oooooo

**সমাপ্ত**